## 2014

# ASSAMESE

## ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) "ভাষাবিজ্ঞানৰ ছাত্ৰই ভাষাক অভিধানেৰে সৈতে সাঙোৰাৰ ভুল যাতে নকৰে।" উক্তিটো কাৰ ?

(খ) *Original and Development of Bengali Language* নামৰ গৱেষণা-গ্ৰন্থখনৰ গ্ৰন্থকাৰজন কোন ?

(গ) 'এছপিৰেন্টো' নামৰ কৃত্ৰিম ভাষাটো যোগাত্মক শাখাৰ কি নীতিৰ আধাৰত গঠন কৰা হৈছিল ?

(ঘ) জিপছী বা যাযাবৰী ভাষাটো মূলতঃ কি ভাষাৰ অন্তৰ্গত ?

(ঙ) দ্বি-অক্ষৰযুক্ত শব্দত কামৰূপীত অপিনিহিতি হয়নে ?

(চ) বৰ্গীকৰণৰ কোনটো বিভাগত চলিত ভাষাৰ গঠন-পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হয়?

(ছ) মিশ্র ভাষা বা পিজিন একোটাই মাতৃভাষা বা প্ৰথম ভাষা হৈ স্থায়ী ৰূপ লাভ কৰিলে তাক কি বুলি কোৱা হয়?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) "ভাষাৰ মাজত দুটা প্ৰবৃত্তিয়ে ওলোটা-উলটিভাৱে কাম কৰা দেখা যায়।" এই প্ৰবৃত্তি দুটা কি কি?

(খ) ভাষাৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিবলৈ কি কি বিষয়ৰ ওপৰত চকু ৰাখিব লাগে?

(গ) 'পাটোই' (Patois) আৰু 'পাৰ্লে' (Parler) বুলিলে কি বুজা?

(ঘ) প্ৰৰূপাত্মক বৰ্গীকৰণ কাক বোলে? এই বৰ্গীকৰণৰ বিশেষত্ব কি?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) যথাসম্ভৱ অসমীয়া ভাষাৰ উদাহৰণৰ সৈতে স্বৰাগম আৰু ব্যঞ্জনাগমৰ বিষয়ে আলোচনা কৰা।

(খ) কামৰূপী উপভাষাত অপিনিহিতিৰ প্ৰয়োগ সম্পৰ্কে চমুকৈ লিখা।

(গ) মঙলদৈৰ ব্যাসসকলৰ মাজত প্ৰচলিত গুপ্তভাষাটোৰ গঠন-পদ্ধতি উদাহৰণসহ আলোচনা কৰা।

(ঘ) ৰাজ্য একোখনত ৰাজ্যভাষাই কেনে ধৰণৰ ভূমিকা পালন কৰে, আলোচনা কৰা।

(ঙ) প্ৰাদেশিক ভাষা, ৰাষ্ট্ৰীয় ভাষা আৰু আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা।

৪। (ক) "ভাষা মানৱ সংস্কৃতিৰ এটা উপাদান, অকল উপাদানেই নহয়, ই সকলো সাংস্কৃতিক কামৰ ভেটি স্বৰূপ।" কথাষাৰ আলোচনা কৰা। ১০

*নাইবা*

(খ) জাতি, ভাষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক আলোচনা কৰি এটা প্ৰবন্ধ যুগুত কৰা।

৫। (ক) আন্তঃৰাষ্ট্ৰীয় ভাষা বুলিলে কি বুজা? আন্তঃৰাষ্ট্ৰীয় ভাষা কৃত্ৰিম হ'ব পাৰেনে? যদি পাৰে, এই ধৰণৰ কৃত্ৰিম ভাষাবোৰৰ গঠন-পদ্ধতি কি কি ধৰণৰ হ'ব পাৰে? এটা কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাৰ গঠন-পদ্ধতি উদাহৰণৰ সৈতে আলোচনা কৰা। ২+১+৩+৪=১০

*নাইবা*

(খ) উপভাষা কাক বোলে? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাসমূহ কি কি? কোনো এটা উপভাষাৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে অধ্যয়নকাৰীজনে কেনে ধৰণৰ প্ৰস্তুতি কৰা প্ৰয়োজন, আলোচনা কৰা। ২+৪+৪=১০

৬। (ক) আকৃতিমূলক বৰ্গীকৰণৰ শাখাসমূহৰ বিষয়ে আলোচনা কৰা। ১০

*নাইবা*

(খ) বিশিষ্ট ধ্বনি পৰিৱৰ্তনৰ তলত দিয়া দিশকেইটাৰ বিষয়ে উদাহৰণৰ সৈতে আলোচনা কৰা : ২$\frac{১}{২}$×৪=১০

সমীভৱন; অল্পপ্ৰাণীভৱন; ঘোষীভৱন; অনুনাসিকীকৰণ।

★★★